Guwahati : Assam Book Depot.

৩) Chandel & Nand (2011). Population Education. Agra : Shri Vinod Pustak Mandir.

৪) Goswami, Meena Kumari (2013). Environmental Education and Population Education, New Delhi : Asian Books Private Limited.

৫) Gupta, P. K. (2005), Population Education, Meerut : R. Lall Book Depot,

৬) Kapoor & Kapoor (2013). Population Education. Guwahati : EBH Publishers.

৭) Nanda S. K. (2002). Population Education-An Informative Update. Delhi : Doaba House.

৮) Rao, V. K. (2001). Population. Delhi : A. P. H. Publishing Corporation.



১১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাক্-স্বাধীনকালৰ ভাৰতৰ জনসংখ্যা নীতিৰ উল্লেখযোগ্য দিশবোৰ হৈছে—

১৯৩০ চনত পৃথিৱীৰ ভিতৰত প্রথমবাৰৰ বাবে মাইতৰ চৰকাৰে চৰকাৰী জন্ম নিয়ন্ত্রণৰ নিদান খুলিছিল।

- ১৯৩১ চনত, মাদ্রাজ চৰকাৰে জন্ম নিয়ন্ত্রণৰ পদ্ধতিৰ নির্দেশনা দিছিল।
- ১৯৩২ চনত লক্ষ্ণৌত বহা সদৌ মহিলা সম্মিলনত পুৰুষ আৰু মহিলাৰ বাবে জন্ম নিয়ন্ত্রণৰ নিদান চিনাক্ত কৰা হৈছিল।
- ১৯৩৫ চনত পৰিয়াল স্বাস্থ্য বিজ্ঞানৰ অধ্যয়ন উন্নীতকৰণৰ ব্যৱস্থা লোৱা হৈছিল।
- ১৯৪০ চনত পি. এন. চাপ্রো ৰাজ্যৰ পৰিষদত জন্ম নিয়ন্ত্রণৰ বাবে নীতি গ্রহণ কৰিছিল।
- ১৯৪৩ চনত মহিলা অনুসন্ধান আয়োগে জন্ম নিয়ন্ত্রণৰ ক্ষেত্রত টোকা প্রস্তুত কৰিছিল।

ওপৰত উল্লেখ কৰা দিশসমূহৰ উপৰিও ইয়াৰ সৈতে গান্ধীজীও জড়িত আছিল। কিন্তু গান্ধীজী আৰু তেখেতৰ অনুকৰণকাৰীসকলে জনসংখ্যাৰ সমস্যাটো ভাৰতবর্ষৰ ডাঙৰ সমস্যা হিচাবে গ্রহণ কৰা নাছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্রীয় জনসংখ্যা নীতিৰ ১৪টা লক্ষ্য আছিল—

- জন্ম নিয়ন্ত্রণ আৰু শিশু স্বাস্থ্যৰ প্রয়োজনীয় আৱশ্যকতা পূৰোৱা।
- ১৪ বছৰ বয়সলৈ স্কুলীয়া শিক্ষা বিনামূলীয়া কৰা আৰু শিক্ষা অর্ধ সমাপ্ত হ্রাস কৰা।
- শিশুৰ মৃত্যুৰ হাৰ কমোৱা।
- মাতৃৰ মৃত্যুৰ পাৰ ৰোধ কৰা।
- সার্বজনীন টীকাকৰণ ব্যৱস্থাৰে শিশুসকলক সকলো ৰোগৰে প্রতিষেধক দিয়া।
- ছোৱালীৰ বিবাহৰ কাল বৃদ্ধি কৰা।
- ৮০% অনুষ্ঠানীয় প্রসৱ আৰু প্রশিক্ষন ব্যাক্তিৰ লোকৰ দ্বাৰা ১০০৫ গৰাকীক প্রসৱ কৰোৱা।
- জন্ম ক্ষমতা সম্পর্কে সকলো নীতি নিয়ম আৰু সেৱা আগবঢ়োৱা।
- AIDS বৃদ্ধিৰ ক্ষেত্রত সাৱাধানতা অৱলম্বন আৰুপৰিচালনা তথা ইয়াৰ সংক্রমন ৰোধ কৰা।
- সংক্রমিত ৰোগৰ নিয়ন্ত্রণ আৰু প্রতিৰোধ কৰা।
- জন্ম আৰু শিশুৰ স্বাস্থ্য সেৱাৰ ক্ষেত্রত ভাৰতীয় ঔষধ ব্যৱস্থাৰ সুবিধা দিয়া
- পৰিয়াল পৰিকল্পনাৰ দ্বাৰা TPR ৰ সলনি কৰা।
- সামাজিক দিশৰ সকলো কার্যসূচী একত্রিত কৰি প্রয়োগ কৰিব লাগে যাতে পৰিয়াল কল্যাণ আঁচনি জনসাধাৰণ কেন্দ্রিক হৈ পৰে।
- জন্ম, মৃত্যু, বিবাহ আৰু গর্ভধাৰণৰ ১০০% পঞ্জীয়ন কৰা। শিশু, কৈশোৰ আৰু প্রাপ্তবয়স্ক সকলক শিক্ষাদান কৰা।

৩ নং প্রশ্নৰ উত্তৰ ঃ সপ্তম পঞ্চবার্ষিক পৰিকল্পনাৰ প্রধান উদ্দেশ্যবোৰ হৈছে—

- পৰিয়াল কল্যাণৰ বাবে শিশু, যুৱক-যুৱতী আৰু প্রাপ্ত বয়স্কসকলক শিক্ষা প্রদান।
- বিবাহিত পুৰুষ-মহিলাসকলক গর্ভধাৰণ, শিশু আৰু স্বাস্থ্য সম্পর্কে অবগত কৰোৱা।
- জনসংখ্যাৰ সমস্যাৰ প্রতি জনসাধাৰণক সচেতন কৰিবলৈ গণ মাধ্যমসমূহৰ ব্যৱহাৰ কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ একাদশ পঞ্চবার্ষিক পৰিকল্পনাত জনসংখ্যা শিক্ষাৰ সৈতে জড়িত দিশবোৰত প্রধানকৈ গুৰুত্ব দিয়া হৈছিল— বিদ্যালয় অসমাপ্তি কৰা শিশুৰ হাৰ কমোৱা, স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, শিশুৰ মৃত্যুৰ হাৰ কমোৱা, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা, শিশুৰ অপুষ্টিহীনতা দূৰ কৰা, ছোৱালী আৰু মহিলাসকলৰ ৰক্তহীনতা আঁতৰোৱা, শিশুৰ বাবে উপযুক্ত পৰিৱেশ প্রদান কৰা, গছ-গছনি বৃদ্ধি কৰা আদি।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ জনসংখ্যা নিয়ন্ত্ৰণ সম্পৰ্কে তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত কি উল্লেখ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ ১৯৭৬ চনৰ ৰাষ্ট্ৰীয় জনসংখ্যা নীতিৰ বিষয়ে লিখক।

(খ) দীঘল প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ভাৰতৰ স্বাধীনোত্তৰ কালৰ বিভিন্ন জনসংখ্যা নীতিসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ জনসংখ্যাৰ উন্নতিৰ বাবে থকা ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***